

৮.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। স্নাতক মহলাৰ লোক প্ৰশাসন — ড° কৃপেশচন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।

২। স্নাতক লোক প্ৰশাসন — ড° নিৰু হাজৰিকা।

৩। লোক প্ৰশাসন পৰিচয় — পুৰন্দৰ গগৈ।

ইংৰাজী গ্ৰন্থ ঃ

1. Bhagwan, Vishnu and Bhusan, Vidya, Public Administration, S.Chand & Company Ltd.
2. Bhattacharya, Mohit (2007), Public Administration World Press.
3. Sharma, Dr. M.P. and B.L.Public Administration in Theory and Practice, Allahbad. Kitab Mahal, 46th Edition, 2010.
4. Tyagi A.R. (2004), Public Administration, Delhi, Atma Ram K Sons Publisher.

৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতাধিষ্ঠ দলৰ নেতাসকলক লৈ মন্ত্ৰীসভা গঠিত — আৰু নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত দায়িত্বশীল, মন্ত্ৰীসভাই প্ৰশাসনত নিৰ্দেশনা দিয়ে আৰু প্ৰশাসনৰ বিভিন্ন বিভাগৰ মাজত সমন্বয় সাধন কৰে আৰু নিয়ন্ত্ৰণ কৰে ই প্ৰশাসনত নেতৃত্ব প্ৰদান কৰে। কাৰ্যপালিকাৰ নিয়ন্ত্ৰণ এক উদ্যমশীল, দিগ্‌দৰ্শক আৰু নিয়ন্ত্ৰক শক্তি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অতি জৰুৰী বা গুৰুত্বপূৰ্ণ বিষয়ত সদনত দৃষ্টি আকৰ্ষন কৰিবলৈ এই আহিলাক সংসদত প্ৰৱৰ্তন কৰা হয়। প্ৰস্তাৱৰ বাবে ৫০ জন সদস্যৰ সমৰ্থন লাগে। যদি প্ৰস্তাৱক সন্মতি দিয়া হয়, তেন্তে সদনৰ দৈনন্দিন কাম-কাজ স্থাগিত ৰখা হয়। ইয়াৰ দ্বাৰ চৰকাৰক নিন্দা কৰা হয়। সেয়ে ৰাজ্যসভাত এই (ইয়াক) আহিলা ব্যৱহাৰৰ অনুমতি দিয়া নহয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এই ন্যায়িক লেখ জাৰি কৰি ওপৰৰ আদালতে তলৰ আদালতক নিজৰ এলেকাৰ ভিতৰ থাকি কাৰ্য পালন কৰিবলৈ বাধ্য কৰাব পাৰে। এই লেখ ঋণাত্মক প্ৰকৃতিৰ। ইয়াৰ দ্বাৰা নিম্ন আদালতক নিজৰ অধিকাৰ ক্ষেত্ৰ অতিক্ৰম কৰি কাৰ্য্য সম্পাদনত নিষেধাজ্ঞা আৰোপ কৰিছে। নিষেধাজ্ঞা ন্যায়িক কৰ্তৃত্বসম্পন্ন অধঃস্তন আদালত যেনে — আয়কৰ আয়ুক্ত, নিৰ্বাচন আয়োগ, মূল্যাংকন সমিতি ইত্যাদিৰ বিৰুদ্ধে জাৰি কৰিব পাৰে।